# অসম আদিত্য

খ্যা ১৫১ ■ ২২ জেঠ, ১৯৪৮ শক ■ শনিবাৰ, ৬ জুন, ২০২৬ ■ Asom Aditya, Dibrugarh, Saturday, June 6, 2026 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ প


## কানৈ মহাবিদ্যালয়ত ‘কৃষ্ণচূড়া’ শীৰ্ষক গৱেষণা গ্ৰন্থ উন্মোচনত অধ্যক্ষ ড° শশীকান্ত শইকীয়া

# পূৰ্ব পুৰুষৰ পৰা দান হিচাপে পোৱা নাই পৃথিৱীখন




**ষ্টাফ ৰিপৰ্টাৰ, ৫ জুন ঃ** ‘পৃথিৱীখন কোনেও পূৰ্ব পুৰুষৰ পৰা দান হিচাপে পোৱা নাই। পৃথিৱীখন কাৰো পৈতৃক সম্পত্তি নহয়।’ বিশ্ব পৰিৱেশ দিৱস উপলক্ষ্যে ডি এইচ এছ কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ ছ’ফেক, ইক’ ক্লাব আৰু অভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ যৌথ উদ্যোগত অনুষ্ঠিত এক অনুষ্ঠানত মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই আজি এইদৰে কয়। অধ্যক্ষগৰাকীয়ে কয়— পৃথিৱীখনক বিভিন্নধৰণৰ আৱৰ্জনাৰে ভৰাই প্ৰদূষিত কৰাতকৈ এই আৱৰ্জনাবোৰক সম্পদলৈ ৰূপান্তৰিত কৰাৰ চিন্তা কৰিব লাগে। তেওঁ কয়— ভৱিষ্যত প্ৰজন্মৰ বাবে পৃথিৱীখন আমি সংৰক্ষণ আৰু সংবৰ্ধন কৰিবৰ বাবে উপহাৰ হিচাপে পাইছোঁ। ছ’ফেকৰ সম্পাদক অধ্যাপক অম্বৰীষ ভূঞাই আঁত ধৰা অনুষ্ঠানটিত অধ্যক্ষ ড০ শইকীয়াই কয়— মহাবিদ্যালয়ৰ কাগজবিহীন প্ৰশাসন, অনলাইন নিৰ্বাচন আদিৰ দৰে ডিজিটেল বিপ্লৱসমূহে পৰিৱেশ সংৰক্ষণ কৰাৰ ক্ষেত্ৰত যথেষ্ট সহায় কৰিছে। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক পৰিৱেশ সংৰক্ষণৰ ওপৰত বিভিন্ন মাধ্যমেৰে জ্ঞান প্ৰদান কৰিবলৈ অধ্যাপক-অধ্যাপিকাসকলক আহ্বান জনায় কয়— ছাত্ৰ-ছাত্ৰীসকলক বছৰি এটাকৈ হ’লেও সৃষ্টিশীলভাৱে পৰিৱেশ সংৰক্ষণৰ ওপৰত প্ৰকল্প প্ৰস্তুত কৰিবৰ বাবে উৎসাহিত কৰিলেও পৃথিৱীখন সংবৰ্ধন হ’ব আৰু জীয়াই থাকিব। দিনৰ ৯ বজাত মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়া আৰু বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপিকা ড০ চন্দনা গোস্বামীৰ বৃক্ষ ৰোপণেৰে শুভাৰম্ভ হোৱা বিশ্ব পৰিৱেশ দিৱসৰ কাৰ্যসূচী সভাপতিত্ব কৰে ছ’ফেকৰ সভাপতি ড০ দীপংকজ গগৈয়ে। অনুষ্ঠানটিৰ লগত সংগতি ৰাখি ছ’ফেকৰ দ্বাৰা প্ৰকাশিত আৰু অধ্যাপক অম্বৰীষ ভূঞা, ড০ মৌচুমী হাজৰিকা আৰু ড০ গীতামণি দত্তৰ দ্বাৰা সম্পাদিত ‘কৃষ্ণচূড়া’ শীৰ্ষক গৱেষণা গ্ৰন্থখন উন্মোচন কৰে অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত মহাবিদ্যালয়ৰ ছ’ফেকৰ সদস্যসকলৰ লগতে ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী উপস্থিত থাকে।